# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2025
**Time :** 1910 hrs

## *Assamese Evening Bulletin*
## HEADLINES

১। সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰখনত অনা সংস্কাৰে সমাজৰ প্ৰতিটো স্তৰৰ লোকক সকাহ প্ৰদান কৰিব বুলি বিজেপিয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে এখন বিস্তৃত আৰু ফলপ্ৰসূ বৈঠকত মিলিত হয়।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি পঞ্জাৱৰ বানপ্ৰৱন অঞ্চল পৰিদৰ্শন কৰে।

৪। ২৭ সংখ্যক চৰছ আজীৱিকা মেলা কাইলৈৰ পৰা নতুন দিল্লীত আৰম্ভ হ'ব।

*আৰু*

৫। ২০২৫ বৰ্ষৰ বিশ্ব বক্সিং প্ৰতিযোগিতা কাইলৈৰ পৰা ইংলেণ্ডৰ লিভাৰপুলত আৰম্ভ।

০০০০০

বিজেপিয়ে সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰখনত অনা সংস্কাৰৰ প্ৰশংসা কৰি কয়, যে এই নতুন কৰ ব্যৱস্থাই সমাজৰ প্ৰতিটো স্তৰৰ লোকক সকাহ প্ৰদান কৰিব। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি বিজেপি দলৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে সামগ্ৰী আৰু সেৱা কৰ হ্ৰাসৰ পাছত দেশত বৰ্তমান আনন্দৰ পৰিবেশে বিৰাজ কৰিছে। এই নতুন ব্যৱস্থাই খেতিয়কসকলকো যথেষ্ট উপকৃত কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে সামগ্ৰী আৰু সেৱা কৰৰ নতুন ব্যৱস্থাই ঔষধজাত সামগ্ৰী, খাদ্যসামগ্ৰী, বস্ত্ৰ আৰু জোতা-চেণ্ডেলকে সামৰি প্ৰতিদিনে ব্যৱহাৰ হৈ থকা প্ৰায় প্ৰতিটো সামগ্ৰীৰ ওপৰত থকা কৰ হ্ৰাস কৰাৰ লগে লগে গ্ৰাহকসকলক বিশেষভাৱে উপকৃত কৰিব বুলি জানিবলৈ দিয়ে। নতুন দিল্লীত সাংবাদিকৰ সৈতে কথা-বতৰাত শ্ৰীগোৱেলে কয়, যে ১৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীপাৱলীৰ পূৰ্বে ভাৰতৰ নাগৰিকৰ বাবে সামগ্ৰী আৰু সেৱা কৰৰ বিশেষ উপহাৰ আগবঢ়োৱাৰ বিষয়ে ঘোষণা কৰিছিল। তেওঁ লগতে কয়, যে এই নতুন প্ৰণালীয়ে বাণিজ্য কৰিবলৈ বিচৰা লোকসকলক যথেষ্ট সহায় কৰিব। এই নতুন ব্যৱস্থাই প্ৰতিটো সামগ্ৰীৰ চাহিদা বৃদ্ধিৰ ওপৰতো যথেষ্ট অৰিহনা যোগাব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

সামগ্ৰী আৰু সেৱা কৰৰ বাস্তৱায়িতভাৱে কৰা কৰ হ্ৰাসৰ বাবে দেশৰ বিভিন্ন বাণিজ্য আৰু উদ্যোগ সংস্থাসমূহে নতুন ব্যৱস্থাক আদৰণি জনাইছে। ইণ্ডিয়ান মাৰ্চেণ্ট চেম্বাৰ্ছৰ পৰোক্ষ কৰ কমিটীৰ অধ্যক্ষ শ্ৰীঅৰবিন্দ ভাঞ্চালিয়ে কয়, যে পূৰ্বৰ সামগ্ৰী আৰু সেৱা কৰৰ চাৰিটা হাৰৰ বিপৰীতে বৰ্তমান দুটা হাৰলৈ

সৰলীকৃত কৰা হৈছে আৰু এই নতুন কৰ ব্যৱস্থাই বৰ্তমানৰ বহু সামগ্ৰীৰ ওপৰত থকা কৰৰ পৰিমাণ হ্ৰাস কৰি পূৰ্বৰ তুলনাত গ্ৰাহকক অধিক আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব।

মিজোৰামৰ ৰাজনৈতিক আৰু বিত্তীয় বিশেষজ্ঞ লালহুনলিয়ানা ৰাল্টেই চৰকাৰৰ বৰ্তমানৰ সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাক আদৰণি জনাইছে। ৰাল্টেই কয়, যে সামগ্ৰী আৰু সেৱা কৰৰ নতুন সৰলীকৃত ব্যৱস্থাই ৰাজহৰ ওপৰত ঋণাত্মক প্ৰভাৱ নেপেলোৱাকৈ গ্ৰাহকসকলক অধিক আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে এখন বিস্তৃত আৰু ফলপ্ৰসূ বৈঠকত মিলিত হয়। সেউজ আৰু ডিজিটেল জাহাজ কৰিড'ৰ, মহাকাশ খণ্ডত সহযোগিতা, অসামৰিক বিমান পৰিবহন খণ্ডত সহযোগিতা আৰু প্ৰশিক্ষণ আৰু ডিজিটেল সম্পদ উদ্ভাৱনৰ ক্ষেত্ৰত সহযোগিতাকে ধৰি মুঠ পাঁচখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব পি কুমাৰনে কয় যে দুয়োগৰাকী নেতাই সৰ্বাত্মক কৌশলগত অংশীদাৰিত্বৰ ক্ষেত্ৰত ৰূপৰেখা প্ৰস্তুত কৰে। তেওঁ কয় যে এই ৰূপৰেখাই দুয়ো দেশৰ সহযোগিতাৰ গভীৰতা নিৰূপণ কৰাৰ লগতে দিক নিৰ্দেশনাও দাঙি ধৰিছে। এই ৰূপৰেখাই ৮টা অগ্ৰাধিকাৰপ্ৰাপ্ত বিষয়ত দ্বিপাক্ষিক সম্পৰ্কৰো নিৰূপণ কৰিব। এইবোৰৰ ভিতৰত অৰ্থনৈতিক সহযোগিতা, দক্ষতা বিকাশ, ডিজিটাইজেচন, বহনক্ষমতা, যোগাযোগ, স্বাস্থ্য খণ্ড আৰু ঔষধ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা, জনসাধাৰণৰ মাজত সম্পৰ্ক আৰু সাংস্কৃতিক বিনিময় আদি বিষয়সমূহ সামৰি লৈছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙে আজি ভাৰ্চুৱেল মাধ্যমেৰে জে এন বন্দৰ পি এছ এ মুম্বাই টাৰ্মিনেলৰ দ্বিতীয় পৰ্য্যায়ৰ উন্মোচন কৰে। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনলাইন মাধ্যমেৰে এই উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। নৱী মুম্বাইত অনুষ্ঠিত এই অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ ৰাজ্যমন্ত্ৰী শান্তনু ঠাকুৰেও অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰী ঠাকুৰে অনুষ্ঠানত অংশগ্ৰহণ কৰি কয় যে,4 দশমিক ৮ টি ই ইউ সামৰ্থ্যৰে জে এন পি এ বৰ্তমান দেশৰ বৃহত্তৰ কণ্টেইনাৰ টাৰ্মিনেলত পৰিণত হৈছে। তেওঁ কয় যে নিৰ্দিষ্ট মালবাহী কৰিড'ৰৰ সৈতে ক্ৰেন আৰু পোনপটীয়া ৰেল সংযোগৰ ফলত ই বিশ্বমানৰ স্থান লাভ কৰিছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে ৰাজ্যখনক সৰ্বোচ্চ সামৰ্থ্য থকা ৰাজ্য হিচাপে গঢ়ি তোলা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী ল'ৰেঞ্চ ৱঙক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে ৱান্ধা বন্দৰৰ কাম শেষ হোৱাৰ পিছত মহাৰাষ্ট্ৰ বিশ্বৰ প্ৰথম ১০ টা বৃহৎ বন্দৰৰ অন্যতম হিচাপে স্বীকৃত হ'ল।

00000

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি পঞ্জাৱৰ অমৃতসৰ আৰু গুৰদাসপুৰ জিলাৰ বানপ্ৰৱন অঞ্চল পৰিদৰ্শন কৰি বান প্ৰভাৱিত লোক আৰু খেতিয়কসকলৰ সৈতে মত বিনিময় কৰে। এই পৰিদৰ্শন কালত ৰে'লৰে আৰু খাদ্য সংসাধন উদ্যোগ ৰাজ্যমন্ত্ৰী ৰৱনীত সিং বিট্টুও উপস্থিত থাকে। অমৃতসৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কৃষিমন্ত্ৰীগৰাকীয়ে কয় যে যেতিয়া দেশ আৰু মানৱতাৰ সেৱাৰ প্ৰয়োজন হয় তেতিয়াই পঞ্জাৱী লোকসকলে সদায়েই আগশাৰীত থিয় দি আহিছে। অথচ পঞ্জাৱ আজি বানৰ ফলত প্ৰতিকূল পৰিস্থিতিৰ মুখামুখি হৈছে আৰু কেইবাখনো গাঁও বানত প্ৰভাৱিত হোৱাৰ লগতে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈছে। এই প্ৰতিকূল পৰিস্থিতিত পঞ্জাৱৰ জনসাধাৰণৰ ওচৰত থিয় দিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আহ্বান জনোৱা বুলিও মন্ত্ৰী শ্ৰীচৌহানে প্ৰকাশ কৰিছে। তেওঁ কয় যে কৃষি, গ্ৰামোন্নয়ন, পথ, বিত্ত আৰু শক্তি খণ্ড সমন্বিত দুটা কেন্দ্ৰীয় দল ইতিমধ্যে পঞ্জাৱত উপস্থিত হৈছে আৰু দল দুটাই বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি কেন্দ্ৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব। ইয়াৰ পূৰ্বে পঞ্জাৱৰ ৰাজ্যপাল গোলাপ চান্দ কাটাৰিয়াই ৰাজ্যখনৰ বান ক্ষতিগ্ৰস্ত পাঁচখন জিলা ক্ৰমে অমৃতসৰ, পাঠানকোট, গুৰদাসপুৰ, টাৰ্ণ টৰণ আৰু ফিৰোজপুৰৰ বিস্তৃত প্ৰতিবেদন কেন্দ্ৰীয় কৃষি মন্ত্ৰীগৰাকীক দাখিল কৰিছিল।

০০০০০

বিজেপিয়ে আজি পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে ৰাজ্য বিধানসভাত সংবিধান অৱমাননা কৰাৰ অভিযোগ উত্থাপন কৰে। নতুন দিল্লীত অনুষ্ঠিত এখন সংবাদ মেলত বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই পশ্চিম বংগ বিধানসভাৰ মজিয়াত বিজেপি বিধায়কসকল আক্ৰমণৰ সন্মুখীন হয় বুলি অভিযোগ তোলে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰে। বিজেপিৰ মুখপাত্ৰগৰাকীয়ে লগতে কয় যে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ কাৰ্যকালত ৰাজ্যখনত অৰাজকতা বিৰাজ কৰিছে। ৰাজ্যত শাসনভাৰ চলাই নিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ অযোগ্যতাৰ অভিযোগ তুলি বিজেপিয়ে তেওঁৰ পদত্যাগ দাবী কৰে।

০০০০০

২৭ সংখ্যক চৰছ আজীৱিকা মেলা কাইলৈৰ পৰা নতুন দিল্লীত আৰম্ভ হ'ব। প্ৰতিবছৰে এই মেলাই গ্ৰামীণ মহিলাসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহৰ প্ৰদৰ্শন তথা বিক্ৰীৰ বাবে এখন মঞ্চ প্ৰদান কৰে। এই বছৰ চৰছ আজীৱিকা মেলাই দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ গ্ৰামাঞ্চলৰ আত্মসহায়ক গোটৰ চাৰিশতকৈও অধিক মহিলাক সামৰি লৈছে। এই বছৰ এই মেলাৰ বিষয় হৈছে লাখপতি বাইদেউ আৰু সৱলীকৃত গ্ৰামীণ মহিলাসকলক সফল উদ্যমী হিচাপে গঢ়ি তোলা আৰু লগতে লোকল ফৰ ভোকেলৰ দিশত নিজকে উৎকৃষ্ট ৰূপত প্ৰতিষ্ঠা কৰা। লাখপতি বাইদেউসকলৰ হস্তনিৰ্মিত সামগ্ৰী, হস্ততাঁত সামগ্ৰী আৰু খাদ্যসামগ্ৰীসমূহ প্ৰদৰ্শন কৰাৰ বাবে কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই মেলাখন এই মহিলাসকলৰ বাবে প্ৰথম তথা বৃহৎ সুযোগ। এই মেলাখন এই মাহৰ ২২ তাৰিখলৈকে চলি থাকিব। এখন সংবাদ মেল সম্বোধন কৰি গ্ৰামীণ বিকাশ মন্ত্ৰালয়ৰ যুটীয়া সচিব শ্বাতি শৰ্মাই কয় যে চৰছ মেলা সংস্কৃতিৰ সৈতে পুনৰবাৰ সংযুক্ত হোৱাৰ সুন্দৰ মাধ্যম। দীনদয়াল অন্ত্যোদয়া যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে দেশৰ ৯০ লাখ আত্মসহায়ক গোটৰ ১০ কোটি মহিলাৰ সৈতে ইতিমধ্যে যোগাযোগ স্থাপন কৰা হৈছে বুলিও সচিবগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

ভাৰতৰ মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাইয়ে কাইলৈ ভাৰত-নেপাল ন্যায়িক আলোচনাত ভাষণ দিব। ভাৰতৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰা গাৱাইয়ে কাইলৈ এই বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে নেপালৰ মুখ্য ন্যায়াধীশ প্ৰকাশমন সিং ৰাউতৰ সৈতে সুকীয়াকৈ এখন বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০

২০২৫ বৰ্ষৰ বিশ্ব বক্সিং প্ৰতিযোগিতা কাইলৈৰ পৰা ইংলেণ্ডৰ লিভাৰপুলত আৰম্ভ হ'ব। এই বক্সিং প্ৰতিযোগিতাৰ বাবে ঘোষণা হোৱা ২০জনীয়া দলটোত দুবাৰৰ বিশ্ব চেম্পিয়ন নিখট জৰিন আৰু টকিঅ' অলিম্পিক প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদকপ্ৰাপ্ত লাভলীনা বৰগোঁহাইৰ লগতে দুবাৰৰ এছিয়ান চেম্পিয়ন পূজা ৰাণীৰ দৰে তাৰকা খেলুৱৈক অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, বক্সিঙৰ ভাৰতীয় পুৰুষৰ দলটোত সুমিত কুণ্ডুৰ লগতে ২০২১ চনত বিশ্ব যুৱ চেম্পিয়ন খেলুৱৈ শচীন সিৱাচ আৰু হৰ্ষ চৌধুৰীক অন্তৰ্ভুক্ত কৰা হৈছে। লগতে প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা পোৱা যদুমণি সিং মানদেংবাম, হিতেশ গুলিয়া আৰু অভিনাশ জামৱালে তেওঁলোকক সংগ দিব।

০০০০০

**সমাপ্ত**